জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৯/২০২১

**বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় পৰিদৰ্শন কৰি ক'ভিড পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে**

# বৰপেটা জিলাৰ ক'ভিড আন্তঃগাঁথনি শক্তিশালীকৰণৰ বাবে ৰাজ্য চৰকাৰে শীঘ্ৰে ৫০টা অক্সিজেন কনচেণ্ট্ৰেটৰ প্ৰদান কৰাৰ লগতে বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ১৫খন বিচনাযুক্ত ক'ভিড আইচিইউ স্থাপন কৰিবঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২০ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বৰপেটা জিলাত কভিড যুঁজৰ আন্তঃগাঁথনি শক্তিশালী কৰি তুলিবলৈ ৰাজ্য চৰকাৰে শীঘ্ৰে ৫০টা অক্সিজেন কনচেণ্ট্ৰেটৰ প্ৰদান কৰাৰ লগতে বৰপেটাৰ ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ১৫খন বিচনাযুক্ত কভিড আইচিইউ স্থাপন কৰিব।

বৰপেটা জিলাৰ সাম্প্ৰতিক কভিড-১৯ পৰিস্থিতিৰ বুজ ল'বলৈ আজি ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয় পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে এই ১৫খন বিচনাযুক্ত ক'ভিড কেয়াৰ আইচিইউৰ লগতে ৫০টা অক্সিজেন কনচেণ্ট্ৰেটৰে জিলাখনৰ গুৰুতৰভাৱে অসুস্থ ক'ভিড ৰোগীসকলক চিকিৎসা প্ৰদান কৰাত যথেষ্ট সহায় কৰিব। মহাবিদ্যালয়খনৰ অধ্যক্ষ, জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকৰ সৈতে বৰপেটা জিলাৰ ক'ভিড পৰিস্থিতিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যদিও জিলাখনত ক'ভিড সংক্ৰমণৰ হাৰ সিমান উদ্বেগজনক নহয়, জিলাখনৰ মৃত্যুৰ হাৰ কিন্তু যথেষ্ট চিন্তাৰ কাৰণ। সেয়েহে, তেওঁ জিলা প্ৰশাসনক জনসাধাৰণৰ ক'ভিড স্থিতি নিশ্চিত কৰিবলৈ অধিক হাৰত আৰটিপিচিআৰ পৰীক্ষা সম্পন্ন কৰাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে হোম কোৱাৰেণ্টাইন বাছি লোৱা অৰ্থনৈতিকভাৱে দুৰ্বল ক'ভিড পজিটিভ ৰোগীসকলক অক্সিমিটাৰ প্ৰদান কৰিবলৈও জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। তেওঁ অৱশ্যে স্পষ্টভাৱে কয় যে ৫০ বছৰৰ ঊৰ্দ্ধৰ পজিটিভ ৰোগীসকলৰ বাবে হোম কোৱাৰেণ্টাইন সম্পূৰ্ণৰূপে বন্ধ কৰিব লাগে।

মুখ্যমন্ত্ৰী শৰ্মাই চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষক সকলো চিকিৎসককে পূৰ্ণশক্তিত কৰ্তব্যত নিয়োগ কৰিবলৈ নিৰ্দেশ দিয়ে যাতে ৰোগীসকলক অহৰ্নিসে উন্নত আৰু দায়বদ্ধ চিকিৎসাৰ সুবিধা প্ৰদান কৰিব পৰা যায়। তেওঁ অধ্যক্ষক শেহৰাতি জ্যেষ্ঠ চিকিৎসকসকলক ক'ভিড ৱাৰ্ডত কৰ্তব্যত নিয়োজিত কৰাটো নিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে। অক্সিজেনৰ উপলব্ধতাৰ সন্দৰ্ভত ড° শৰ্মাই কয় যে যদিও বৰ্তমান চিকিসালয়খনত মেডিকেল অক্সিজেনৰ কোনো অভাৱ হোৱা নাই, প্ৰয়োজন সাপেক্ষে অতিৰিক্ত

অক্সিজেন প্ৰদান কৰাৰ বাবেও আৱশ্যকীয় পৰিকল্পনা যুগুত কৰি ৰখা হৈছে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে যদি জিলাসমূহে ১৫ দিনৰ ভিতৰত চৰকাৰে জাৰি কৰা প্ৰতিৰোধমূলক ব্যৱস্থাসমূহ সতৰ্কতাৰে পালন কৰে, তেন্তে ৰাজ্যখনৰ কভিড পৰিস্থিতি যথেষ্ট উন্নত হ'ব। সেয়েহে তেওঁ জিলা প্ৰশাসন, জিলা স্বাস্থ্য কৰ্তৃপক্ষ আৰু অন্যান্য অংশীদাৰসকলক তেওঁলোকৰ সৰ্বোত্তম সেৱা আগবঢ়াবলৈ আৰু ৰাজ্যখনৰ ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণত ৰখাৰ বাবে চৰকাৰৰ প্ৰচেষ্টাত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী শৰ্মাই স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালকসকলক পৰিস্থিতিৰ মূল্যাংকন কৰাৰ লগতে ক'ভিড ৰোগীৰ বৰ্ধিত সংখ্যাৰ সৈতে মোকাবিলা কৰাৰ বাবে প্ৰয়োজনীয় ৰণনীতি প্ৰস্তুত কৰিবলৈ বৰপেটা জিলাৰ প্ৰতিটো অঞ্চল ভ্ৰমণ কৰিবলৈও নিৰ্দেশ দিয়ে। তেওঁ উপায়ুক্তক নিশা চিকিসালয়খনলৈ যাবলৈ আৰু ক'ভিড ৱাৰ্ডত জ্যেষ্ঠ চিকিৎসকৰ উপস্থিতি নিশ্চিত কৰিবলৈও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীৰ বৰপেটা জিলা ভ্ৰমণৰ সময়ত বৰপেটা, সৰভোগ, চেঙ্গা, সৰুক্ষেত্ৰী, জনিয়া সমষ্টিৰ বিধায়কসকলৰ লগতে জিলাখনৰ অন্যান্য জ্যেষ্ঠ চৰকাৰী বিষয়াসকল উপস্থিত আছিল।

**সুঃদঃ / প্ৰঃকুঃবঃ**
**২০/০৫/২০২১**